**নেপালৰ অন্তৰৰ্তীকালীন চৰকাৰৰ প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কিৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ বাৰ্তালাপ (ছেপ্টেম্বৰ 18, 2025)**

ছেপ্টেম্বৰ 18, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নেপালৰ অন্তৰৰ্তীকালীন চৰকাৰৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰীমতী সুশীলা কাৰ্কিৰ সৈতে টেলিফোনত বাৰ্তালাপ কৰে।

2. প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী কাৰ্কিক নিযুক্তিৰ বাবে অভিনন্দন জনোৱাৰ লগতে ভাৰত চৰকাৰ আৰু জনসাধাৰণৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে।

3. শেহতীয়াকৈ নেপালত প্ৰতিবাদৰ সময়ত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীয়ে শোক প্ৰকাশ কৰে।

4. প্ৰধানমন্ত্ৰীয়ে দুয়োখন দেশৰ মাজৰ বিশেষ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে ভাৰতৰ ঘনিষ্ঠভাৱে কাম কৰি যোৱাৰ প্ৰস্তুতি আৰু শান্তি তথা স্থিতিশীলতা পুনৰুদ্ধাৰৰ দিশত আৰু নেপালৰ জনসাধাৰণৰ অগ্ৰগতিৰ বাবে নেপালৰ প্ৰতি ভাৰতৰ সম্পূৰ্ণ সমৰ্থনৰ কথা প্ৰকাশ কৰে।

5. প্ৰধানমন্ত্ৰী কাৰ্কিয়ে নেপাললৈ ভাৰতৰ দৃঢ় সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে দুয়োখন দেশৰ মাজত সম্পৰ্ক অধিক শক্তিশালী কৰাৰ প্ৰধানমন্ত্ৰীৰ ইচ্ছাত হয়ভৰ দিয়ে।

6. নেপালৰ আগন্তুক ৰাষ্ট্ৰীয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীয়ে সম্বৰ্ধনাও জ্ঞাপন কৰে।

7. নেতাসকলে যোগাযোগ ৰক্ষা কৰি থাকিবলৈ সন্মত হয়।

নতুন দিল্লী

ছেপ্টেম্বৰ 18, 2025